# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date : 27-12-2025**
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যত বিশেষ সংশোধিত খচৰা ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হয়। এই তালিকা সন্দৰ্ভত ৰাইজে অহা ২২ জানুৱাৰী পৰ্যন্ত ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে ৩, ৪, ১০ আৰু ১১ জানুৱাৰীত বিশেষ শিবিৰ অনুষ্ঠিত হ'ব। ২ ফেব্ৰুৱাৰীৰ ভিতৰত এই ওজৰ-আপত্তিসমূহ নিষ্পত্তি কৰি ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। খচৰা তালিকা অনুসৰি ভোটাৰ তালিকাৰ পাৰা ৰাজ্যৰ ৪ লাখ ৭৮ হাজাৰ ৯৯২ জন ভোটদাতাৰ নাম কৰ্তন কৰা হৈছে। বাসস্থান সলনি কৰা ৫ লাখ ২৩ হাজাৰ ৬৬০ জন ভোটদাতাক চিনাক্ত কৰাৰ লগতে কেইবাটাও স্থানত নাম থকা ৫৩ হাজাৰ ৬১৯ জন ভোটদাতাক চিনাক্ত কৰা হৈছে। এই তালিকা অনুসৰি ৰাজ্যত মুঠ ভোটদাতা ২ কোটি ৫২ লাখ দুহেজাৰ ৭৭৫ আৰু ডি-ভোটাৰ ৫৩ হাজাৰ ২১ জন। কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টি সামৰি আজি ফটোযুক্ত ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰা হয়। খচৰা তালিকা অনুসৰি কামৰূপ মহানগৰ জিলাত ১ দশমিক ৬-৩ শতাংশ ভোটদাতা বৃদ্ধি হোৱাৰ লগতে ১০৫টা অতিৰিক্ত ভোটগ্ৰহণ কেন্দ্ৰ সংযোজনৰ কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। **ধেমাজি** জিলাত আজি তিনিটা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাৰ খচৰা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়।

**কাছাৰ** জিলাতো ৭টা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাৰ খচৰা আজি আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। মাজুলী জিলাতো আজি খছৰা ভোটাৰ তালিকা প্ৰকাশ সন্দৰ্ভত জিলা আয়ুক্তৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। শিৱসাগৰ জিলাত ৩ টা বিধানসভা সমষ্টিৰ ৫ লাখ ৭২ হাজাৰ ২১৯ গৰাকী ভোটদাতা সামৰি আজি খছৰা তালিকা প্ৰকাশ কৰা হয়। একেদৰে ডিব্ৰুগড় জিলাত ২০২৬ বৰ্ষৰ ১ জানুৱাৰী ভিত্তিবৰ্ষ হিচাপে লৈ ১০ লাখ ৪৩ হাজাৰ ৬৭৯ গৰাকী ভোটদাতা সামৰি খছৰা তালিকা প্ৰকাশ কৰা হয়। কাৰ্বি আংলং জিলাৰ ডিফুৰ ৩ টা বিধানসভা সমষ্টিৰ বাবে ৫ লাখ ৪০ হাজাৰ ৮৮ গৰাকী ভোটদাতা সামৰি আজি খছৰা তালিকা প্ৰকাশ কৰা হয়। শ্ৰীভূমি জিলাত আজি প্ৰকাশ কৰা খছৰা তালিকা অনুসৰি ৯ লাখ ৭১ হাজাৰ ৯১৬ গৰাকী ভোটদাতা আছে। বাক্সা জিলাত ৪ লাখ ৮ হাজাৰ ৭৪৯ গৰাকী আৰু বঙাইগাওঁ জিলাত ৩ টা সমষ্টিৰ বাবে ৫ লাখ ৮৩ হাজাৰ ১২৮ গৰাকী ভোটদাতাৰ নাম খছৰা তালিকাত সন্নিবিষ্ট কৰা হয়।

০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থমেলাত আজি কেইবাটাো মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত হয়। গ্ৰন্থমেলাথলীত আজি **উন্মীলন** শীৰ্ষক যুৱ লেখক সন্মিলন অনুষ্ঠিত হয়। বিশিষ্ট সাহিত্যিক তথা আমাৰ অসম কাকতৰ মুখ্য সম্পাদক মনোজ কুমাৰ গোস্বামীয়ে এই সন্মিলন উদ্বোধন কৰি কয়,

যে বয়সে সাহিত্যিক উত্তীৰ্ণ নকৰে, প্ৰতিভা আৰু সাধনাইহে উত্তীৰ্ণ কৰে। এই সন্দৰ্ভত তেওঁ ২৫ বছৰ বয়সত মৃত্যুবৰণ কৰা বিশ্ব প্ৰসিদ্ধ কবি জন কীটছ্ আৰু ২৯ বছৰ বয়সত মৃত্যুবৰণ কৰা শ্বেলীৰ উদাহৰণ দিয়ে। পূৰ্ণ সাধনা, অধ্যয়ন আৰু পৰ্যবেক্ষনৰ জৰিয়তেহে উত্তৰণ সম্ভৱ বুলিও তেওঁ মন্তব্য কৰে।

**ৰাইট**

লেখক, অনুবাদক তথা জৰ্জিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰুণি কাশ্যপ নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থকা এই সন্মিলন লেখক তথা জ্যেষ্ঠ জনসংযোগ বিষয়া সমীৰ শান্দিল্যই সঞ্চালনা কৰে। ইয়াৰ পাছত জন্ম শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্যৰ আলোচনা সত্ৰত 'আধুনিকতাবাদ আৰু কবি অজিত বৰুৱা' সন্দৰ্ভত এখন আলোচনা অনুষ্ঠিত হয়। আলোচনা সত্ৰখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট সাহিত্যিক, সমালোচক ড° আনন্দ বৰমুদৈয়ে সঞ্চালনা কৰে।

oooo

ডিব্ৰুগড় জিলাৰ জুটুলীবাৰী চাহ বাগিছাত আজি স্বাস্থ্য বিভাগে আয়োজন কৰা এটা অনুষ্ঠানত স্বাস্থ্যবান শ্ৰমিক যোজনা ৰাজ্যিক ভিত্তিক শুভাৰম্ভ কৰা হয়। স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী অশোক সিংহলে এই যোজনাৰ শুভাৰম্ভ কৰে। চাহ শ্ৰমিকসকলৰ সুস্বাস্থ্য নিশ্চিত কৰাৰ লক্ষ্যৰে তেওঁলোকক গুণগত আৰু মানসম্পন্ন স্বাস্থ্য সেৱা প্ৰদান কৰিবলৈ এই যোজনা ৰূপায়ণ কৰা হ'ব। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰী সিংহলে কয় যে ৰাজ্যখনৰ চাহ বাগিছাৰ জনসংখ্যা মুঠ জনসংখ্যাৰ ২০ শতাংশ। চাহ উদ্যোগৰ ৰাজধানী হিচাপে পৰিচিত ৰাজ্যখনৰ উন্নয়নৰ যাত্ৰাত চাহ শ্ৰমিকসকলৰ অৱদান অনস্বীকাৰ্য্য বুলি তেওঁ উল্লেখ কৰে। ২০২৫-২৬ চনৰ ৰাজ্যিক বাজেটত স্বাস্থ্যবান শ্ৰমিক যোজনা ৰূপায়ণৰ বাবে এখন আঁচনিৰ অনুমোদন দিয়া হৈছিল। এই অনুসৰি ৰাজ্যৰ ২০ খন চাহ বাগিছাত আজিৰে পৰা পাইলট প্ৰকল্প হিচাপে ইয়াক কাৰ্যকৰী কৰা হৈছে। উল্লেখযোগ্য যে চাহ বাগিছাৰ শ্ৰমিকসকলৰ স্বাস্থ্য সন্দৰ্ভত কৰা জৰীপত তেওঁলোকৰ মাজত ৰক্তহীনতা, পুষ্টিহীনতা, উচ্চৰক্তচাপ, যক্ষ্মাকে ধৰি বিভিন্ন ৰোগৰ সংক্ৰমন থকাৰ তথ্য পোৱা গৈছে। তদুপৰি তেওঁলোকৰ অনেকৰে মাজত কম বয়সৰে পৰা মাদক দ্ৰব্য ব্যৱহাৰ বৃদ্ধি পোৱাৰ ফলত জীৱনৰ মান নিম্নগামী হোৱা বুলিও প্ৰকাশ পাইছে। এই কাৰ্যসূচীৰ জৰিয়তে বিভিন্ন ৰোগৰ পৰীক্ষা আৰু ব্যৱস্থাপনা কৰাৰ লগতে জন্মৰ পৰা ১৮ বছৰৰ ভিতৰৰ লৰা ছোৱালীৰ সুস্বাস্থ্যৰ বাবে ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যসূচীৰ অধীনত স্বাস্থ্য পৰীক্ষা নিশ্চিত কৰা হ'ব। তদুপৰি মাদক দ্ৰব্যৰ ব্যৱহাৰ নিয়ন্ত্ৰণৰ বাবেও সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হব। ইয়াৰ বাবে চাহ বাগিচাৰ একাংশ মহিলাক মহিলা স্বাস্থ্য আৰু সুস্থতাৰ এম্বেচেদৰ হিচাপে নিযুক্তি দিয়া হব। তেওঁলোকে উন্নয়ন খণ্ড পৰ্যায়ত মহিলাসকলক প্ৰশিক্ষণ প্ৰদান কৰি তেঁওলোকৰ স্বাস্থ্য সম্পৰ্কীয় বিষয়ত সজাগ কৰিব।

oooo

**ঃঃ সমাপ্ত ঃঃ**